জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৮৫/২০২১

# বিশিষ্ট অধিবক্তা, ক্ৰীড়া সংগঠক নিলয় দত্তৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৯ ছেপ্তেম্বৰ ঃ** বিশিষ্ট অধিবক্তা, ক্ৰীড়া সংগঠক, অৰুণাচল প্ৰদেশ চৰকাৰৰ মহাধিবক্তা নিলয় দত্তৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে জীৱনকালত একান্ত নিষ্ঠাসহকাৰে নিলয় দত্তই আমাৰ সমাজ জীৱনলৈ যি অৰিহণা আগবঢ়াই গ'ল সেয়া সকলোৰে শ্ৰদ্ধাৰে স্মৰণ কৰিব। ৰাজ্যৰ এগৰাকী জ্যেষ্ঠ আইনজ্ঞ হিচাপে প্ৰয়াত অধিবক্তাগৰাকীয়ে অসমৰ আইন জগত আৰু মানৱ অধিকাৰ ক্ষেত্ৰলৈ অতুলনীয় অৱদান আগবঢ়াই গৈছে। অসম ৰাজ্যিক আইন আয়োগৰ সদস্য হিচাপেও সেৱা আগবঢ়োৱা প্ৰয়াত দত্তই অসম চৰকাৰে গঠন কৰা আন কেইবাখনো আয়োগৰ সদস্য হিচাপেও দায়বদ্ধতাৰে কাৰ্যনিৰ্বাহ কৰিছিল। এগৰাকী সুদক্ষ ক্ৰীড়া সংগঠক হিচাপে ৰাজ্যৰ ক্ৰীড়া ক্ষেত্ৰৰ উত্তৰণৰ বাবে অহোপুৰুষাৰ্থ কৰা প্ৰয়াত নিলয় দত্তই এগৰাকী আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট আম্পায়াৰ হিচাপেও সুখ্যাতি অৰ্জন কৰিছিল। এইগৰাকী বিশিষ্ট অধিবক্তা তথা ক্ৰীড়া সংগঠকৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত নিলয় দত্তৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**প্ৰঃকুঃবঃ**
**১৯/০৯/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in